# দ্বিভুজা দুৰ্গা যাজপুৰৰ 'দেৱী বিৰজা'

ডঃ বৰ্ণালী ডেকা
মো: ৯০৮৫৩৫৫৯৪৮

ওড়িশাৰ যাজপুৰ বা বিৰজাক্ষেত্ৰত 'বিৰজা' নামে দ্বিভুজা দেৱী দুৰ্গাৰ পূজাৰ প্ৰচলন আছে। তান্ত্ৰিক আৰু শক্তিপীঠ হিচাপে সমগ্ৰ পূৰ্বোত্তৰ ভাৰতৰ শক্তিস্হলবোৰৰ ভিতৰত যাজপুৰ প্ৰধান পবিত্ৰ কেন্দ্ৰস্হল আৰু ধাৰ্মিক স্হান।অষ্টম-নবম শতিকাৰ ভৌম অভিলেখত বিৰজাৰ চামুণ্ডা আৰু কাত্যায়নীৰ বৰ্ণনা আছে। যাজপুৰত প্ৰাপ্ত সপ্তমাতৃকা মূৰ্তিবোৰলৈ লক্ষ্য কৰিলে বিৰজাৰ পূজাও অষ্টম-নবম শতিকাৰপৰা প্ৰচলন হোৱা বুলি অনুমান কৰিব পাৰি। মুছলমানৰ আক্ৰমণত যাজপুৰৰ সকলো মন্দিৰ ধ্বংস হোৱা বুলি কথিত আছে। মাদলাপঞ্জি(পুৰীৰ জগন্নাথ মন্দিৰ এখন ইতিহাস ) অনুসৰি যযাতিকেশৰীয়ে মোগলৰ আক্ৰমণৰপৰা ৪৭৪ খৃঃত ওড়িশা ৰাজ্যখন উদ্ধাৰ কৰি যাজপুৰত ৰাজধানী পাতিছিল।বিৰজা তেওঁৰ ইষ্টদেৱী আছিল আৰু সেইমতেই যযাতিকেশৰীয়ে স্হাপন কৰা নগৰীৰো নামকৰণো হৈছিল।বিৰজা দ্বিভূজা আৰু সিংহবাহিনী। যাজপুৰতেই সৰ্বপ্ৰাচীন পূজা পদ্ধতি প্ৰকটিত হোৱা বাবে প্ৰাচীন দেৱীপূজাৰ কেন্দ্ৰস্হল বুলিও কোৱা হয়।সমগ্ৰ ভাৰততে মহিষমৰ্দিনী দ্বিভূজা দুৰ্গাৰ 'বিৰজা'ই প্ৰথম নিদৰ্শন। ধৰ্মক্ষেত্ৰ যাজপুৰৰ অধিষ্ঠাত্ৰী দেৱী বিৰজা প্ৰাচীন আৰ্য সংস্কৃতি মাতৃপূজাৰ এক জলন্ত নিদৰ্শন। জগত জননী বিৰজাৰ বৰ্ণনা ব্যাসদেৱৰ মহাভাৰত, বিৰজামাহাত্ম্য,বায়ুপুৰাণ(কুৰুক্ষেত্ৰ,দ্বাৰকাআৰুগয়াতীৰ্থৰসমান),ব্ৰহ্মাণ্ডপুৰাণ,হৰিবংশ,শ্ৰীযামলতন্ত্ৰ,কপিল সংহিতাৰ ৭ম আৰু ৮ম অধ্যায়ত, বিষ্ণুপুৰাণ,কালিকাপুৰাণ,কুব্জিকাতন্ত্ৰ আৰু গৰুড়পুৰাণ ইত্যাদিত পোৱা যায়।সাৰলাদাসে তেওঁৰ ওড়িআ মহাভাৰতত 'বিৰজা উড্ৰদেশতু কামাক্ষা নীল পৰ্বতে....

বুলি বৰ্ণনা কৰিছে। মহাভাৰতৰ বনপৰ্বত ব্যাসদেৱে লোমশ মুনিৰদ্বাৰা পাণ্ডৱসকলক বিৰজাক্ষেত্ৰৰ মাহাত্ম্য বৰ্ণনাকৰিছে।

শিৱৰ কান্ধত থকা সতীৰ দেহ চক্ৰৰে খণ্ড খণ্ড কৈ কাটি পেলোৱাত বিশ্বৰ বিভিন্ন স্থানত সতীৰ অংগ পৰি যায়। সেইমতে সতীৰ নাভি অংশ যাজপুৰৰ বিৰজাক্ষেত্ৰত পতিত হয় বাবে ইয়াক 'নাভিপীঠ' বা 'নাভিক্ষেত্ৰ' বোলা হয়। অৱশ্যে বৰ্তমান দেখা পোৱা মন্দিৰটি পুৰণি নহয়, কালাপাহাৰে ধ্বংস কৰা মন্দিৰটিক ইয়াক যাজপুৰৰ এজন জমিদাৰৰ সহায়ত মেৰামতি কৰাই লোৱা।প্ৰকৃত পীঠস্থল যাজপুৰৰ অনতি দূৰত অৱস্থিত কলসপুৰ ভগ্ন মন্দিৰটি।বিৰজা মন্দিৰৰ বাওঁফালে ঈশানেশ্বৰ মন্দিৰ,পশ্চিম কোণত ব্ৰহ্মকুণ্ড নামে বৃহৎ পুখুৰী আৰু ওচৰতে ব্ৰহ্মেশ্বৰ মহাদেৱ আছে। এই পুখুৰীৰ পানী গাত ছটিয়াই ভক্তই দেৱী দৰ্শন কৰে।মন্দিৰৰ ঈশান কোণত নাভিগয়া আৰু ইয়াৰ উত্তৰে গুপ্তেশ্বৰ মহাদেৱ আছে, যাক গুপ্তগঙ্গা বোলা হয়। ব্ৰহ্মাণ্ডপুৰাণৰ 'বিৰজাক্ষেত্ৰ মাহাত্ম্যৰ সপ্তদশ অধ্যায়ত 'গয়াসুৰৰ মহিমা' প্ৰসংগত নাভিগয়া উৎপত্তিৰ বৰ্ণনা আছে।নাভিগয়াত পিণ্ডদান কৰিলে একৈশ পুৰুষ পৰ্যন্ত পিতৃলোক উদ্ধাৰপ্ৰাপ্ত হয় বুলি হিন্দুধৰ্মাৱলম্বীলোকে বিশ্বাস কৰে।ওড়িআ লোকবিশ্বাস মতে,পৃথিৱীলৈ যেতিয়া কোনো বিপদ আহে তেতিয়া তাৰ আগজাননী হিচাপে কূপৰ বস্তুবোৰ ফুলি উঠে আৰু তাৰ পৰা পানী নিৰ্গত হয়। গুৰুত্বপূৰ্ণ কথা এয়ে যে ভাৰতবৰ্ষৰ সকলোবোৰ পিণ্ডদানক্ষেত্ৰত বিষ্ণুদৰ্শন বিধি আছে; কিন্তু বিৰজাক্ষেত্ৰত দেৱীদৰ্শন বিধিহে প্ৰযোজ্য

ইতিহাসবিদ আৰ,এল,মিত্ৰই এই দ্বিভুজা দেৱী সৰ্বপ্ৰাচীন বুলি মত প্ৰকাশ কৰিছে। পৰৱৰ্তী কালত দেৱীক চতুৰ্ভুজা, অষ্টভুজা, দশভুজা, দ্বাদশভুজা,অষ্টাদশভুজা ৰূপে পূজা গ্ৰহণ কৰা হৈছিল। ওড়িশাত থকা মহিষমৰ্দ্দিনী মূৰ্ত্তিৰ বিকল্প নাই। এই মূৰ্ত্তিত মহিষ ৰাক্ষসৰ আকৃতি আৰু দেৱীৰ গঠন শৈলীক ভিত্তি কৰি কাল নিৰূপণ কৰা হৈছে। এইক্ষেত্ৰত দুটি ভাগ কৰি প্ৰথম ভাগত মহিষ-মৰ্দ্দিনী মূৰ্ত্তিৰ মহিষৰ মূৰ ধাৰণ

কৰি থকা ৰাক্ষসৰ মূৰটো দেৱীৰ বাওঁহাতেৰে শক্তি প্ৰয়োগ কৰি থকা দেখা যায় আৰু দেৱীৰ অন্যান্য হাতকেইখন বিভিন্ন যুদ্ধৰ সঁজুলিৰে পূৰ্ণ হৈ থাকে।দ্বিতীয় শ্ৰেণী মহিষমৰ্দ্দিনী মূৰ্ত্তিৰ বিশেষত্ব হ’ল যে, ইয়াত থকা মহিষ ৰাক্ষসক এটি পশুৰূপে নিৰ্ণয় কৰা হৈছে। এই শ্ৰেণীৰ দেৱী অষ্টভুজা। এই বিভাগ দুটাৰ বিষয়ে চিন্তা-চৰ্চা কৰিলে কোনো এটি বিভাগতেই যাজপুৰৰ দ্বিভুজা দেৱীক অন্তৰ্ভক্ত কৰিব পৰা নাযায়। দ্বিভুজা দেৱী বিৰজাই বাওঁহাতেৰে মহিষ আকৃতিৰ ৰাক্ষসৰ নেজত ধৰি আনখন হাতেৰে ত্ৰিশূলৰ সহায়ত ৰাক্ষসৰ শৰীৰক বিদ্ধ কৰি আছে।

মানৱ ৰূপত পৰিকল্পনা কৰা মহিষমৰ্দ্দিনী ৰাক্ষসৰ মূৰ্ত্তি ,পশু ৰূপত পৰিকল্পনা কৰা মহিষ ৰাক্ষসৰ মূৰ্ত্তিৰ পৰৱৰ্তী পৰ্যায়ৰ- পৰৱৰ্তী কালৰ হিন্দু দেৱ-দেৱীৰ ওপৰত বৌদ্ধ ধৰ্মৰ প্ৰভাৱক ব্যক্তি বিশেষৰ চৰিত্ৰ আৰু সামাজিক ব্যৱহাৰৰ ওপৰত ন্যস্ত কৰিছিল। সেয়ে বৌদ্ধধৰ্মৰ প্ৰভাৱৰ পৰা দেৱ-দেৱী বিচ্ছিন্ন কৰাৰ উদ্দেশ্যে ৰাক্ষসক অজ্ঞান অন্ধকাৰৰ কালিমাৰে ধুৱাই জ্ঞানালোকৰ উৎস বিতণৰ পৰিকল্পনা কৰা হ’ল। সেয়ে দ্বিতীয় শ্ৰেণী মহিষ-মৰ্দ্দিনী মূৰ্ত্তিতকৈ প্ৰথম শ্ৰেণীৰ মহিষমৰ্দ্দিনী মূৰ্ত্তি বহু প্ৰাচীন; আকৌ যাজপুৰৰ মৰ্দ্দিনী মূৰ্ত্তিৰ ৰাক্ষসক কেবল পশুৰূপে অৱস্থাপিত কৰা বাবে সেয়া প্ৰাচীনতম বুলি ধৰা হয়।

পৌৰাণিক ব্যাখ্যা অনুসৰি গয়াসুৰৰ নাভি এইস্থানত পতিত হোৱা বাবে পূৰ্বপুৰুষৰ উদ্ধাৰ কল্পে উক্ত নাভিগয়াত পিণ্ডদান কৰি বৈতৰণী নদীৰ দশাশ্বমেধ ঘাটত স্নান কৰিলে যি পুণ্য হয়,সেয়া আন কোনো তীৰ্থতেই পোৱা নাযায়।

এই মন্দিৰত বিভিন্ন উৎসৱ,পূজা-পাৰ্বন অনুষ্ঠিত হয়। তাৰ ভিতৰত বিৰজাৰ জন্ম উৎসৱ, দুৰ্গাপূজা,ৰথযাত্ৰা আদি উল্লেখ কৰিব পাৰি। ষোল্লদিনত ভিন ভিন নামেৰে দেৱী বিৰজা পূজিতা হোৱাতোৱে বিৰজা মন্দিৰৰ ৰীতি-নীতিৰ ক্ষেত্ৰত মৌলিকতা আৰু দুৰ্গোৎসৱৰ পূৰ্ণ চিত্ৰ দাঙি ধৰে। এই উৎসৱৰ সময়ত এক সুকীয়া প্ৰথা পৰম্পৰাগতভাৱে চলি অহা দেখা যায়। ষষ্ঠীৰ পৰা দশহৰা পৰ্যন্ত মৃন্ময় মূৰ্তিৰে দুৰ্গাপূজা কৰা হয়।কিন্তু ‘ৰথযাত্ৰা পৰ্ব’ত দেৱীৰ ধাতৱ মূৰ্তি আশাদণ্ডৰ সৈতে তোল-

তাল-মাদলৰ শব্দত মুখৰিত শোভাযাত্ৰাৰে মন্দিৰৰ চাৰিসীমা ন-দিনত ন-বাৰ পৰিভ্ৰমণ কৰায়। আহিন মাহৰ প্ৰতিপদৰ পৰা ন-দন ধৰি ৰথযাত্ৰা উৎসৱ চলি থাকে। এই দিনবোৰত হাতত 'আশাদণ্ড' ৰে সৈতে দেৱী বিৰজাক শংখ-ঘন্টা-মাদলৰ ধ্বনিৰ মাজত মন্দিৰৰ বাহিৰত পৰিক্ৰমা কৰোৱা হয়।দেৱীৰ সিংহধ্বজ ৰথখনত থকা ধাতৱ প্ৰতিমা মহানৱমী মধ্যৰাতি হাতেৰে সজোৱা বিশেষ বিমানত উঠাই শৰসন্ধানৰ বাবে লখাবিন্ধা পথাৰত চাৰিওফালে শোভাযাত্ৰা কৰোৱা হয়। তাৰ পাছত গাওঁ পৰিভ্ৰমণৰ অন্তত দেৱীয়ে নিজৰ মন্দিৰত প্ৰবেশ কৰি আসন শুৱনি কৰাৰ লগে লগে ৰথযাত্ৰা উৎসৱৰ সামৰণি হয়।এই শুক্লা প্ৰতিপদৰ দিনটোৰ পৰা মহানৱমীলৈ বিৰজাদেৱীয়ে ৰথত আৰোহণ কৰি মন্দিৰৰ চাৰিওফালে পৰিভ্ৰমণ কৰে ।পুৱাৰ পৰা সন্ধ্যালৈ ভক্তই দৰ্শন কৰি দেৱীৰ আশীষ লাভ কৰিব পাৰে । যিসকলে এই ৰথযাত্ৰাৰ দেৱী দৰ্শন কৰে তেওঁ নৰকৰ পৰা উদ্ধাৰ পাই বিষ্ণুলোক প্ৰাপ্তি হয় বুলি বিশ্বাস কৰা হয়। নৱমীৰ দিনা ৰথ ভ্ৰমণৰ পাছত প্ৰতিমা লাখবিদ্ধ পথাৰলৈ নিয়ে। পুৰোহিতে চাৰিওফালে চাৰিডাল শৰ নিক্ষেপ কৰে আৰু উৎসৱ শেষ হোৱাৰ জাননীৰে দেৱীক একমুখী কৰি মন্দিৰত প্ৰবেশ কৰোৱায়। দেৱীৰ নামত মণ্ডপত পশু বলিদান দিয়া হয়। এনেদৰে ৰথযাত্ৰা উৎসৱৰ সামৰণি পৰে।দশমীৰ দিনা যথাৰীতিৰে দুৰ্গাদেৱীৰ পূজা সম্পন্ন কৰা হয়। আহিন মাহৰ কৃষ্ণপক্ষৰ প্ৰতিপদৰ পৰা অমাৱস্যা পৰ্যন্ত পিতৃপক্ষৰ কাব্যৰূপিনী অমা ৰূপত পিণ্ড গ্ৰহণ কৰে আৰু শুক্লপক্ষৰ কাব্যৰূপিনী মহানৱমী পৰ্যন্ত দুৰ্গাৰূপত নৱৰাত্ৰিপূজা গ্ৰহণ কৰে। ।ইয়াতেই ভাৰতীয় শক্তি পৰম্পৰাৰ বিৰজাৰ স্বতন্ত্ৰ্য পৰিলক্ষিত হোৱা বুলি কিছু লোকে মন্তব্য কৰে।

+++++++